বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## আল্লাহৰ ওপৰত ভৰসা (তাৱাক্কুল) সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ) ৰ জীৱনীৰ ঈমান উদ্দীপক বিৱৰণ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২ অক্টোবৰ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

হজৰত মছীহ মাওউদ (আঃ)-এ তেখেতৰ প্ৰাথমিক জীৱনৰ পৰাই আল্লাহ তা'লাৰ কৃপা, তেখেতৰ প্ৰতি আল্লাহৰ ব্যৱহাৰ আৰু আল্লাহৰ ওপৰত তেখেতৰ ভৰসাৰ কথা উল্লেখ কৰি কৈছে যে, "ত্ৰিছ বছৰ আগতে মোৰ পিতৃৰে তেখেতৰ শেষ বয়সত অসুস্থ হৈ পৰিছিল, য'ত তেখেতৰ মৃত্যু নিৰ্ধাৰিত আছিল। সেইদিনা দুপৰীয়া ইলহাম (ঐশ্বৰিক প্ৰত্যাদেশ) আহিল যে وَالسَّمَاءِ وَ الطَّارِقِ, যাৰ অৰ্থ হৈছে 'আকাশৰ শপত আৰু সেই ঘটনাৰ শপত যিটো সূৰ্যাস্তৰ সময়ত ঘটিব।' লগতে মনত এই ভাৱ জন্মোৱা হ'ল যে এয়া তেখেতৰ মৃত্যুৰ প্ৰতি ইংগিত। প্ৰকৃততে এয়া আছিল আল্লাহ তা'লাৰ ফালৰ পৰা এক সমবেদনা।"

হজৰত মছীহ মাওউদ (আঃ)-এ কয় যে, "যেতিয়া মোক এই খবৰ দিয়া হৈছিল, তেতিয়া মই কিছু দুখ পাইছিলো। তেখেতে জীৱিত কালত চৰকাৰৰ ফালৰ পৰা কিছু সা-সুবিধা লাভ কৰিছিল, যাৰ বাবে মোৰ মনত এই ভয় উপজিছিল যে এতিয়া হয়তো আমাৰ ওপৰত অভাৱ-অনাটনৰ দিন আহি পৰিব। তেতিয়া সেই মুহূৰ্ততে তন্দ্ৰাৱস্থাত এই ইলহাম আহিল যে اَلَيسَ اللهُ بِكَافٍ عَبدَهٗ অৰ্থাৎ আল্লাহ নিজৰ বান্দাৰ বাবে যথেষ্ট নহয়নে? এই ঐশ্বৰিক বাণীৰ সৈতে অন্তৰত শক্তি সঞ্চাৰ হ'ল কোনো অতি যন্ত্ৰণাদায়ক ঘাঁত মলম লগালে ভাল হৈ পৰে। এইটো বাৰে বাৰে প্ৰমাণিত হৈছে যে ঐশ্বৰিক বাণীত অন্তৰক সান্ত্বনা দিয়াৰ এক বিশেষ গুণ আছে, অৰ্থাৎ তেখেত (আঃ)ৰ দৃঢ় বিশ্বাস আছিল যে আল্লাই যথেষ্ট আৰু কোনো কথাৰ চিন্তা কৰাৰ প্ৰয়োজন নাই।"

তেখেতে (আঃ) এ কৈছিল যে, "যেতিয়া মই এই ইলহাম লাভ কৰিলো, মই সেই মুহূৰ্ততে বুজি পালোঁ যে খোদা তা'লাই মোক কেতিয়াও ধ্বংস হ'বলৈ নিদিয়ে। তেতিয়া মই কাদিয়ানৰ নিবাসী এজন হিন্দু খত্ৰী মলাৱামলক এই ইলহামটো লিখি দিলোঁ আৰু এই গোটেই ঘটনাটো তেওঁক শুনালোঁ। লগতে তেওঁক লগে লগে অমৃতসৰলৈ পঠালোঁ যাতে মহম্মদ শ্বৰীফ চাহাব কলানোৰীৰ জৰিয়তে কোনো পাথৰত খোদিত কৰি এটা মোহৰ (ছীল) বনাই লৈ আহে। মই সেই হিন্দুজনক সাজু কৰিছিলো

যাতে তেওঁ ইয়াৰ সাক্ষী হয় আৰু মৌলৱী মহম্মদ শ্বৰীফো সাক্ষী আছিল। এইদৰে মৌলৱী চাহাবৰ জৰিয়তে এই আঙঠিটো পাঁচ টকা মূল্যত তৈয়াৰ হৈ মোৰ ওচৰলৈ আহি পালে। এতিয়ালৈকে মোৰ ওচৰত বিদ্যমান আছে। হুজুৰ আনোৱাৰ (আইয়াদাহুল্লাহু তা'লা) এ কৈছে যে, "আল্লাহৰ ফজলত এতিয়ালৈকে চলি আছে।"

হুজুৰে কৈছে যে তেখেত (আঃ) এ আল্লাহৰ ওপৰত ভৰসা (তাৱাক্কুল) আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত থকাৰ কথা অনা-আহমদীসকলেও স্বীকাৰ কৰিছিল। মালিক ছালাহুদ্দিন চাহাবে বৰ্ণনা কৰিছে যে এজন ব্যক্তিয়ে এক সভাত হজৰত চাহাব (আঃ)-ৰ বিৰোধিতা কৰাত মৌলৱী ফজল দীন চাহাব—যি এজন অনা-আহমদী উকীল আছিল আৰু হত্যাৰ চেষ্টাৰ এটা গোচৰত হুজুৰ (আঃ)-ৰ উকীল আছিল—তেওঁ অত্যন্ত উদ্যমেৰে ক'লে, "মই মিৰ্জা চাহাবৰ মহান ব্যক্তিত্ব আৰু চৰিত্ৰৰ প্ৰতি পতিয়ন গৈছোঁ। মই বহু ডাঙৰ ডাঙৰ সৎ ব্যক্তিকো দেখিছোঁ যিয়ে আইনী পৰামৰ্শ লাভ কৰি নিজৰ বক্তব্য সলনি কৰি পেলায়, কিন্তু তেখেত (আঃ) ক এনে এজন ব্যক্তি হিচাপে পালোঁ যিয়ে সত্যৰ স্থানৰ পৰা অলপো আঁতৰি নগ'ল।

মই মাৰ্টিন ক্লাৰ্কৰ গোচৰত এটা আইনী বক্তব্যৰ পৰামৰ্শ দিছিলোঁ আৰু কৈছিলোঁ যে অভিযুক্তৰ বক্তব্য শপতভিত্তিক নহয়। মিৰ্জা চাহাবে বক্তব্যটো পঢ়ি ক'লে যে 'ইয়াত তো মিছা কথা আছে। আল্লাহ তা'লাই অভিযুক্তক মিছা কথা ক'বলৈ অনুমতি দিয়া নাই।' মই ক'লোঁ যে 'আপুনি কিয় জানি-বুজি নিজকে বিপদত পেলাইছে?' কিন্তু হজৰত মছীহ মাওউদ (আলাইহিচ্ছ ছালাম)-এ কৈছে: 'মই এই আইনী বক্তব্য দি অন্যায়ভাৱে সুবিধা লাভ কৰি মোৰ প্ৰভুক অসন্তুষ্ট কৰিম—ই কোনো কাৰণতে সম্ভৱ নহয়, লাগিলে যিয়েই নহওক কিয়।"

তেওঁ কয় যে তেখেত (আঃ) এ কৈছিল, "মই কেতিয়াও ধাৰণাও কৰা নাই যে আপোনাৰ ওকালতিৰ পৰা লাভ হ'ব। মোৰ ভৰসা তো আল্লাহৰ ওপৰত, যিয়ে মোৰ অন্তৰখন দেখিছে আৰু মই তেওঁৰ ওপৰতে ভৰসা কৰোঁ।" তেখেত (আঃ) এ কৈছিল যে "মোৰ বক্তব্য আপোনাৰ এই আইনী বক্তব্যতকৈ অধিক ফলপ্ৰসূ হ'ব। লাগিলে মোৰ শাস্তি হওক, তথাপিও মই সুখী হ'ম যে মই আল্লাহৰ অৱমাননা কৰা নাই।" আচৰিত কথা যে তেখেত (আঃ) নিৰ্দোষী সাব্যস্ত হৈ খালাস হ'ল। কৈছে যে ওকালতি তো এক জাগতিক বস্তু, কিন্তু ভৰসা আল্লাহ তা'লাৰ ওপৰতহে কৰা উচিত। এই অনা-আহমদীজনেও ইয়াৰ দ্বাৰা প্ৰভাৱিত নহৈ থাকিব নোৱাৰিলে।

হুজুৰ আনোৱাৰে কৈছে যে হজৰত মুফতী মহম্মদ ছাদিক (ৰাঃ) এ বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ (আলাইহিচ্ছলাতু ৱাচ্ছালাম)-এ কৈছে, "আজিকালি মানুহৰ মতে সভ্যতা হ'ল পৃথিৱীৰ কীট হৈ পৰা, আল্লাহক পাহৰি যোৱা আৰু বাহ্যিক উপায়-উপকৰণৰ পূজাত লিপ্ত হৈ পৰা। কিন্তু আল্লাহ তা'লাৰ মতে সভ্যতা হ'ল আল্লাহ তা'লাৰ ওপৰত সম্পূৰ্ণ ভৰসা লাভ কৰা আৰু অন্তৰত প্ৰকৃত পৱিত্ৰতা অৰ্জন কৰা।"

এখন সভাত কিছু বেমাৰৰ কথা উল্লেখ কৰা হৈছিল। হুজুৰ (আঃ)-এ কৈছে "বেমাৰৰ সময়ত প্ৰাৰ্থনাৰ (দোৱাৰ) জৰিয়তে আৰোগ্য লাভ কৰা সন্দৰ্ভত মোৰ ধাৰণা এনেকুৱা যে মোৰ অন্তৰত যিমান আছে, সিমান মই প্ৰকাশ কৰিব নোৱাৰোঁ। চিকিৎসকে এটা সীমালৈকে চেষ্টা কৰে, তাৰ পিছত ৰৈ যায় আৰু হতাশ হৈ পৰে।" হুজুৰ আনোৱাৰে কৈছে, "অধিকাংশ মানুহে এতিয়াও চিঠি লিখে যে ডাক্তৰে আশা এৰি দিছে। কিন্তু তাৰ পাছতো আল্লাহে প্ৰাৰ্থনাৰ জৰিয়তে পথ মুকলি কৰি দিয়ে, যাতে মানুহে নিৰ্ধাৰণ কৰা সীমাৰ সিপাৰেও আশাৰ সঞ্চাৰ হয় আৰু এইদৰেই আল্লাহ তা'লাক চিনি পোৱা কাৰ্য আৰম্ভ হয়।"তেখেত (আঃ)-কৈছে যে:

"আমাৰ ধৰ্ম এইটোৱেই যে যদি পৃথিৱীৰ সকলো চিকিৎসকো হতাশ হৈ পৰে আৰু মৃত্যুৰ ফতোৱা দিয়ে, তথাপিও পূৰ্ণ মনোযোগ সৃষ্টি হ'লে প্ৰাৰ্থনা গ্ৰহণ হৈ আৰোগ্য লাভ কৰে।

হুজুৰ আনোৱাৰ (আইয়াদাহুল্লাহু তা'লা)-য়ে কৈছে যে হজৰত মৌলৱী আব্দুল কৰীম চাহাব ছিয়ালকোটী (ৰাঃ)-ৰ অসুস্থতাৰ বিষয়ে শ্বেখ য়াকুব আলী ইৰফানী চাহাব (ৰাঃ) য়ে হজৰত মছীহ মাওউদ (আলাইহিচ্ছলাম)-ৰ তাৱাক্কুল আৰু খোদাৰ ওপৰত ভৰসা কৰাৰ এক অনন্য নিদৰ্শন বৰ্ণনা কৰি কৈছে:

মৌলৱী চাহাব (ৰাঃ) ৰ বেমাৰৰ সময়ত হজৰত চাহাব (আঃ) য়ে তেওঁৰ অপাৰ প্ৰেম আৰু ত্যাগ, তথা আল্লাহ তা'লাৰ প্ৰতি নিখুঁত তাৱাক্কুল (ভৰসা) আৰু বিশ্বাসৰ এনে এক নিদৰ্শন দাঙি ধৰিছিল, যিটো এজন অন্তৰ্দৃষ্টিসম্পন্ন লোকৰ বাবে হজৰত মছীহ মাওউদ (আ:) যে আল্লাহৰ তৰফৰ পৰা আহিছে আৰু আল্লাহ তা'লাৰ সৈতে তেখেতৰ এক সঁচা সম্পৰ্ক আছে বুলি প্ৰমাণ কৰিবলৈ যথেষ্ট। লগতে যদি আজি এই উম্মতৰ মাজত কোনোবাই ৰছুলুল্লাহ (ছাঃ)-ৰ আদৰ্শ চাব বিচাৰে, তেন্তে হজৰত মছীহ মাওউদ (আঃ) ৰ বাহিৰে আজি পৃথিৱীত আন কোনো নাই।

হজৰত মছীহ মাওউদ (আঃ) য়ে শেষ মুহূৰ্তলৈকে দোৱা কৰি থাকিল, কিন্তু যেতিয়া সময় আহি পৰিল, তেতিয়া তেখেত আল্লাহৰ ৰাজীত সন্মত হৈ পৰিল। তেখেত (আঃ) য়ে কৈছে তাৱাক্কুলৰ প্ৰকৃত অৰ্থ হ'ল— যিবোৰ উপায় আৰু মাধ্যম আল্লাহ তা'লাই নিৰ্ধাৰণ কৰিছে, সেইবোৰ যথাসম্ভৱ একত্ৰিত কৰা আৰু তাৰ পিছত নিজেই দোৱাত ব্ৰতী হৈ পৰা যে হে খোদা! তুমি নিজেই ইয়াক শুভ পৰিণতিলৈ লৈ যোৱা।" শ শ বিপদ-আপদ আৰু দুৰ্যোগ আছে যিয়ে এই উপায়সমূহকো ওলোট-পালট কৰি দিব পাৰে; এইবোৰৰ আক্ৰমণৰ পৰা বচাই আমাক গন্তব্য স্থানত উপনীত কৰিবা।

হুজুৰ আনোৱাৰ (আইয়াদাহুল্লাহু তা'লা)-য়ে কৈছে যে হজৰত ছৈয়দ জয়নুল আবেদীন শ্বাহ চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে— অঞ্চলটোত প্লেগ ৰোগ দেখা দিয়াৰ লগে লগেই তেখেত (আঃ) এ নিজৰ ঘৰ পৰিষ্কাৰ কৰাৰ নিৰ্দেশ দিছিল, বোৰ্ডিং হাউছ পৰিষ্কাৰ কৰোৱাইছিল আৰু সকলো বন্ধুবৰ্গক নিজ নিজ ঘৰত ফিনাইল ব্যৱহাৰ কৰিবলৈ আৰু ধূপ-ধূনা দিবলৈ নিৰ্দেশ দিছিল। তেখেত (আঃ) য়ে কৈছিল যে উপায় বা মাধ্যম ব্যৱহাৰ কৰাটোও আল্লাহ তা'লাৰ নেয়ামতৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰা, আৰু উপায় পৰিহাৰ কৰাটো ঐশ্বৰিক শ্বৰীয়তৰ পৰিপন্থী। তাৱাক্কুলৰ স্থান ইয়াৰ পিছতহে আহে। প্ৰকৃত মাঅ'ৰিফাত (জ্ঞান) হ'ল— উপায় বা মাধ্যমসমূহৰ পিছফালে খোদা তা'লাৰ হাতখন দেখা পোৱা।

হুজুৰ (আইয়াদাহুল্লাহু)-য়ে কৈছে যে খোদাৰ প্ৰিয় বান্দাসকলৰ তাৱাক্কুলৰ এক আচৰিত মহিমা থাকে। এটা দিশত তেওঁলোকে উপায় বা মাধ্যমসমূহ এনেদৰে ব্যৱহাৰ কৰে যে এজন সাংসাৰিক মানুহে ভাবিবলৈ বাধ্য হয় যে হয়তো তেওঁলোকৰ সমগ্ৰ ভৰসা কেৱল এই উপায়সমূহৰ ওপৰতহে আছে। কিন্তু আনফালে তেওঁলোকে কেতিয়াবা উপায়সমূহক এনেদৰে ত্যাগ কৰে যেন ইয়াৰ কোনো প্ৰয়োজনীয়তাই নাই। তাৱাক্কুলৰ এই বৈশিষ্ট্যও হজৰত মছীহ মাওউদ (আলাইহিচ্ছলাম)-ৰ জীৱন-চৰিত্ৰত আমি দেখিবলৈ পাওঁ।

হুজুৰ আনোৱাৰ (আইয়াদাহুল্লাহু তা'লা)-য়ে কৈছে যে হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে বৰ্ণনা কৰিছে— হজৰত মছীহ মাওউদ (আঃ) ৰ মৃত্যুৰ দুই-তিনি বছৰ পূৰ্বে যেতিয়া হজৰত মছীহ মাওউদ (আঃ) ৰ তীব্ৰ কাহ হৈছিল, সেই সময়ত মোৰ বয়স প্ৰায় ১৭ বছৰ আছিল আৰু তেখেত (আঃ)ক দৰৱ দিয়াৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা হৈছিল। হজৰত খলীফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ প্ৰেচক্ৰিপচন আৰু অন্যান্য চিকিৎসা পদ্ধতিও ব্যৱহাৰ কৰা হৈছিল, কিন্তু কাহ বৃদ্ধি পাইয়েই গৈছিল। এইটো ১৯০৭ চনৰ ঘটনা। আব্দুল হাকীম নামৰ মুৰ্তাদজনে (ধৰ্মত্যাগী) য়ে তেখেত (আঃ) ৰ কাহৰ কষ্টৰ বিষয়ে পঢ়ি লিখিছিল যে তেওঁ (নাউজুবিল্লাহ) যক্ষ্মা (Tuberculosis) ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিব। সেয়েহে মই অতি সাৱধান হৈছিলোঁ যাতে তেওঁলোকে ভুলকৈ হ'লেও আনন্দ প্ৰকাশ কৰাৰ কোনো সুযোগ নাপায়। কেতিয়াবা কাহৰ এনে এক দীঘলীয়া অৱস্থা হৈছিল যে ভাব হৈছিল যেন উশাহ বৈ যাব। এনে অৱস্থাতে বাহিৰৰ পৰা এজন বন্ধু আহিল আৰু উপহাৰ হিচাপে কিছু ফল-মূল লৈ আনিলে, গতিকে মই সেইবোৰ তেখেতৰ (হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী) ৰ সন্মুখত ডাঙি ধৰিলোঁ যে তেওঁ এইবোৰ

আনিছে। তেখেতে সেইবোৰ দেখি ক'লে যে তেওঁক 'জাজাকাল্লাহ' (আল্লাই আপোনাক উত্তম প্ৰতিদান দিয়ক) বুলি কৈ দিয়া। তাৰ পৰা এটা কল তুলি ল'লে। হয়তো মোক শিক্ষা দিয়াৰ বাবেই সুধিলে যে কাহত এইটো কেনেকুৱা ? মই ক'লোঁ যে এইটো ভাল নহয়, গতিকে আপুনি হাঁহিলে আৰু কলটোৰ বাকলি গুচাই খাবলৈ ধৰিলে। মই ক'লোঁ কাহ অতি বিষম হৈ আছে আৰু কাহত এইটো ভাল নহয়। তেখেতে হাঁহি হাঁহি তাক বাকলি গুচাই খাই থাকিল আৰু মই অজ্ঞতাৰশতঃ পুনৰ জোৰ দিলোঁ যে খোৱা উচিত নহয়। তেখেতে ক'লে যে মোক এতিয়াই ইলাহাম (ঐশী বাণী) হৈছে: "কাহ আঁতৰ হৈ গ'ল।" অথচ কোনো ঔষধ ব্যৱহাৰ কৰা হোৱা নাছিল, কিন্তু কাহ আঁতৰ হৈ গ'ল। এইটো কেৱল ঐশী শক্তিৰ ফলত হ'ল। গতিকে কাহ সেই সময়ৰ পৰাই নাইকিয়া হ'ল, যদিও সেই সময়ত কোনো ঔষধ ব্যৱহাৰ কৰা নাছিল আৰু কোনো পৰহেজো কৰা নাছিল, বৰঞ্চ অনিয়মহে কৰা হৈছিল আৰু কাহ নাইকিয়া হৈ গ'ল। যদিও ইয়াৰ আগতে এমাহ ধৰি চিকিৎসা চলি আছিল আৰু কাহ ভাল হোৱা নাছিল, গতিকে এইটো ঐশী হস্তক্ষেপৰ ফল। এনেদৰে অনিয়মৰ পৰা বেমাৰো হয় আৰু চিকিৎসাৰ পৰা স্বাস্থ্যও ভাল হয়, কিন্তু আল্লাহ তা'লাই বিচাৰিলে হস্তক্ষেপো কৰি দিয়ে আৰু দোৱা (প্ৰাৰ্থনা) ৰ অস্ত্ৰ এই কাৰণেই আল্লাহ তা'লাই মানুহক শিকাইছে যাতে তেওঁ আল্লাহ তা'লাৰ দৰবাৰলৈ গৈ কয় যে মই স্বাধীনতা নিবিচাৰোঁ, মই মোৰ পৰিস্থিতিত অতিষ্ঠ হৈ পৰিছোঁ, আপুনি অনুগ্ৰহ কৰি মোৰ বিষয়বোৰত হস্তক্ষেপ কৰক। আল্লাহ তা'লাই দেখে যে বান্দা জীয়াই থকাৰ বাবে ইয়াৰ ওপৰত ভৰসা কৰা হৈছে আৰু বিচাৰে যে মই তেওঁৰ বিষয়বোৰত হস্তক্ষেপ কৰোঁ, তেতিয়া তেওঁও সেই বিষয়বোৰত হস্তক্ষেপ কৰে যেতিয়া আল্লাহ তা'লাৰ ওপৰত সম্পূৰ্ণ ভৰসা কৰা হয়।

এই সন্দৰ্ভত ইনশাআল্লাহ যদি আল্লাহে বিচাৰে পৰৱৰ্তীত আৰু বৰ্ণনা কৰিম।

জুমাৰ খোতবাৰ শেষত হুজুৰে আনোৱাৰ আইয়াদাহুল্লাহু তা'লাই মাননীয় আতাউৰ ৰহমান চাহাব (পশ্চিম বংগ, ভাৰত)– যি বিগত দিনত ৭৬ বছৰ বয়সত ইন্তেকাল কৰিছে– তেওঁৰ স্মৃতিচাৰণ প্ৰকাশ কৰে। প্ৰয়াতগৰাকী অচিয়তকাৰী আছিল। শোকসন্তপ্ত পৰিয়ালত পত্নীৰ উপৰিও এজনী জীয়ৰী আৰু তিনিজন পুত্ৰ আছে। এজন পুত্ৰ মুফিজুৰ ৰহমান চাহাব বছনিয়াত জামাতৰ মুৰব্বী, এজন পুত্ৰ শ্বাহনূৰ চাহাব ভাৰতত মুৱাল্লিম আৰু এজন জোঁৱাই চাবিৰ আলী চাহাব জামাতৰ মুৰব্বী। হুজুৰ আনোৱাৰে মৃতকসকলৰ মাগফিৰাত (ক্ষমা) ৰ বাবে দোৱা কৰি জানাজা গায়েব (অনুপস্থিত জনৰ জানাজাৰ নামাজ) পঢ়োৱাৰ কথা ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَاَ اِلٰهَ اِلاَّ اللهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللهِ رَحِمَكُمُ اللهُ اِنَّ اللهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ -

Assamese Khulasa Khutba Hazur Anowar 02 Oct 2026

Nazarat Nashr-O-Ishaat Qadian